জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬৬/২০২০

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙণি

# পি এম কেয়াৰ্ছ পুঁজিলৈ নিজৰ এমাহৰ দৰমহা বৰঙণি হিচাপে আগবঢ়ালে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

**দিছপুৰ, ৯ এপ্ৰিলঃ** ক'ভিড -১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে গঠন কৰা পি এম কেয়াৰ্ছ পুঁজিলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নিজৰ এমাহৰ দৰমহা বৰঙণি হিচাপে আগবঢ়ায়।

আনহাতে, ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটোতো মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙণি আগবঢ়াইছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বিধায়ক ৰাজদীপ গোৱালাই ৫ লাখ টকা, ভাৰতীয় জনতা পাৰ্টীৰ কৰিমগঞ্জ জিলা সমিতিয়ে ১ লাখ টকা, কৰিমগঞ্জ জিলা ক্ৰীড়া সংস্থাই ৫১ হাজাৰ টকা, উত্তৰ পূৰ্বাঞ্চল লোক কল্যাণ সমিতি, গুৱাহাটীয়ে ৫০ হাজাৰ টকা, কলং-কপিলী ফাউণ্ডেশ্যনে ৫০ হাজাৰ টকা, ড° হেডগেৱাৰ স্মাৰক সমিতি, গুৱাহাটীয়ে ৫০ হাজাৰ টকা, গোপীনাথ জুৱেলাৰ্ছে ২ লাখ টকা, এছ বি এণ্টাৰপ্ৰাইজে ৫১ হাজাৰ টকা, বৃহত্তৰ গুৱাহাটী মাৰোৱাৰী যুৱ মঞ্চই ১ লাখ টকা, লায়ন্‌ছ ক্লাৱ অৱ শিলচৰ লায়নেজে ৫০ হাজাৰ টকা, লায়ন্‌ছ আই হাস্পতালে ১ লাখ টকা, আহমেদ হুছেইন বৰভূইয়াই ২ লাখ টকা, অনিল চন্দ্ৰ দে আৰু অপৰ্ণা দেই ১ লাখ টকা, অপৰ্ণা দে আৰু অমিত বিক্ৰম দেই ১ লাখ টকা, শিলচৰ ফুডগ্ৰেইন্‌ছ মাৰ্চেণ্ট এছ'চিয়েশ্যনে ১ লাখ টকা, হলিক্ৰছ স্কুল কিণ্ডাৰগাৰ্টেনে ১ লাখ টকা, জে চি বিজনেছ প্ৰাইভেট লিমিটেডে ৫০ হাজাৰ টকা, শিলচৰ জিলা কংগ্ৰেছ কমিটীয়ে ১ লাখ টকা, আলতাফ হুছেইনে ১ লাখ টকা, শ্ৰীৰাম মাৰ্কেটিং এজেন্সিয়ে ৫০ হাজাৰ টকা, অজিত সিং আৰু কুসুম সিঙে ৫০ হাজাৰ টকা, এছাম ৱেটলিফটিং এছ'চিয়েশ্যনে ৫৫ হাজাৰ টকা আৰু ভৰজ্যোতি গোস্বামীয়ে ৫০ হাজাৰ টকা, ৰেডিমেড গাৰ্মেণ্টছ্ ডিলাৰ্ছ এছ'চিয়েশ্যন অৱ আসামে ১.৫১ লাখ টকা, সদৌ অসম দেৱ দামোদৰ সংঘই ১ লাখ টকা আৰু ভাৰত কমিউনিষ্ট পাৰ্টী (মাৰ্ক্সবাদী) অসম ৰাজ্যিক সমিতিয়ে ১.৫০ লাখ টকাৰ বৰঙণি আগবঢ়ায়। তদুপৰি অসম আৰোগ্য নিধিলৈ শ্ৰী দিগম্বৰ জৈন ট্ৰাষ্ট, শিলচৰে ১ লাখ টকা, শিলচৰ ফুডগ্ৰেইন্‌ছ মাৰ্চেণ্ট এছ'চিয়েশ্যনে ২ লাখ টকা, পি পি জুৱেলাৰ্ছে ৫ লাখ টকা, কৰিগঞ্জ টাউন ঈদগাহে ১ লাখ টকা, কৰিমগঞ্জ ফ্ৰেছ ফুড স্পাইচেছ এক্সপোৰ্টাৰ এণ্ড ইম্পোৰ্টাৰ এছ'চিয়েশ্যনে ১ লাখ টকা, ৰাম চন্দ্ৰ সূত্ৰধৰে ৫ লাখ টকা, কৰিমগঞ্জ ডব্লিউ এছ কোঅপাৰেটিভ ষ্টোৰ লিমিটেডে ৫০ হাজাৰ টকা, বৰাক ভেলী চিমেন্ট লিমিটেডে ৫ লাখ টকা, কৰিমগঞ্জ অখণ্ড মণ্ডলীয়ে ২.৫০ লাখ টকা, কাচাৰ ৰ'লাৰ ফ্লৰ মিলে ১ লাখ টকা, বৰম বাবা মন্দিৰ পৰিচালনা সমিতিয়ে ৫০ হাজাৰ টকা, টেনিচ ক্লাৱ শিলচৰে ১ লাখ টকা, শ্ৰী জৈন শ্বেতাম্বৰ টেৰাপন্থী সভাই ২ লাখ টকা আৰু জৈন শ্বেতাম্বৰ টেৰাপন্থী মহিলা মণ্ডলে ১ লাখ টকাৰ বৰঙণি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**৯/৪/২০২০**